
## স্বামী বিবেকানন্দ

কৰবী মহন্ত
স্নাতক ৩য় বৰ্ষ

তুমি দি যোৱা মহান বাণী
পাহৰণিত জাহ যোৱা নাই
পাহৰা নাই কোনোৱে
শ্ৰীমুখ নিসৃত মানৱতাৰ
উদাত্ত আহ্বান
সুৱদি সাৰুৱা শব্দেৰে
উজ্জীৱিত কৰি গ'লা
মানুহৰ শুই থকা বিবেক
তুমি বজালা ভাতৃত্ববোধৰ
ঐকতান
মুগ্ধ কৰি জগতবাসীক
ভাৰতৰ সনাতন আত্মাক
কৰিলা প্ৰচাৰ
সাহস আৰু পাণ্ডিত্যৰ অন্যনাম
স্বামী বিকোনন্দ তোমাক
জনাও প্ৰণাম। ▶ ▶ ▶



## তুমি অবুজন কিয়

জোনমণি ঠাকুৰীয়া
স্নাতক ১ম বৰ্ষ (বিঃ)

জীৱনৰ পম খেদি তুমি
বহুদূৰ আগবাঢ়ি গ'লা
নীৰৱে ৰৈ আছো মই
ক'বলৈ থাকি গ'ল
মোৰ ভাল লাগে
ক'ব খোজা বহুকথা
তুমি হৈ ৰ'লা দূৰ দিগন্তৰ
স্বপ্ন প্ৰদত্ত বাণী
আকাশ চিনাকি বুলি
হেঁপাহৰে মেলো দুহাত
পাওঁ জোন আৰু তৰাৰ
উপহাস
যৌৱনৰ আবেগ অনুভূতি
ভগ্ন পঁজাত আৱদ্ধ
নিয়ৰৰ টোপালৰ শব্দত
সাৰ পাওঁ
এচেৰেঙা কেঁচা ৰ'দে নিয়ৰক
কৰে নিঃশেষ
তুমি কাষত নাই
ভগ্ন পঁজাৰ এন্ধাৰত
নেথাকে নেকি
ভাল পোৱাৰ সেউজীয়া। ▶ ▶ ▶

# শোণিতৰ দিনলিপি

দীপামণি দৈমাৰী
স্নাতক ১ম বৰ্ষ(কলা)




৩০ অক্টোবৰ ২০০৮
গতানুগতিক আৰম্ভণি এটি
নতুন দিনৰ
সূৰ্য উদয় হৈছিল
ফুল ফুলিছিল
জীৱন যুঁজত নামিছিল মানুহ
মাৰ যোৱা নাছিল আগৰাতিৰ
দেৱালীৰ আনন্দৰ ৰেশ
ভবা নাছিল যাত্ৰাৰ পথত
কালৰূপ ধৰি ৰৈ আছে মৃত্যুদূত
কোনোৱে ভবা নাছিল মানুহৰ মাজত
থাকিব পাৰে বিকৃত দানৱ
দেখা নাছিল সিহঁতৰ কুটিল হাঁহি
হ'ল কি নহ'ল এঘাৰ বাজি পাৰ
অট্টহাস্যৰ ৰূপ লৈ বাজি উঠিছিল
সেই হাঁহি
কাণ তালমৰা শব্দই গগণ ভেদিছিল
চৌদিশে তেজৰ ডোঙা, আৰ্ত চিৎকাৰ
অংগ-প্ৰত্যংগহীন দেহৰ পাহাৰ
আক্ৰান্ত গুৱাহাটী বৰপেটা ৰোড্
আক্ৰান্ত বঙাইগাঁও কোকৰাঝাৰ
বিস্ফোৰণত সৃষ্টি হৈছিল
নতুন নতুন শ্মশান
আশাবোৰ ছাঁই হৈ গৈছিল
পোৱা মঙহৰ গোন্ধত দানববোৰে
উত্ৰাবল হৈ কিৰিলিৰে তাণ্ডৱ নাচিছিল
দুৰণিত
একেটি বিনীত প্ৰাৰ্থনা
এয়া যেন নঘটে দুনাই। ▶ ▶ ▶

# নিচেই কাষত

সুৰজ পতি ৰাভা
স্নাতক ১ম বৰ্ষ(বিঃ)


তোমাৰ কপালত আঁকি দিয়া
মোৰ আশাৰ আলপনা
জীপাল কৰি ৰাখিবা
ৰিক্ত হৃদয়ত কেৱল
তোমাৰ ছবি
পলে পলে শিহৰণ
চিনাকি শ্বাস-প্ৰশ্বাসৰ
দূৰত থাকিও তুমি
নিচেই কাষত
তৰা হৈ জিলিকি আছা
ৰাতিৰ এন্ধাৰ আকাশত
আছা প্ৰেৰণাৰ উৎস হৈ
জীৱনৰ কঠিন যুঁজত। ▶ ▶ ▶



# এখন আধা লিখা চিঠি

প্ৰাণকৃষ্ণ ৰয়
উঃ মাঃ ২য় বৰ্ষ

বহুদিনৰ মূৰত তোমালৈ কিবা অলপ
লিখিবলৈ বৰকৈ হেঁপাহ জাগিছে
এনে লাগিছে যেন অন্তৰখন
একেবাৰে উজাৰি দিম
সেয়ে তুলি লৈছো কাগজ কলম
আবেলিৰ শেতা পোহৰত
তোমাৰ বাৰু মনত আছেনে
ফাগুনৰ কোনো এক ৰঙীণ পুৱাত হঠাতে
তোমাক লগ পোৱাৰ কথা
সেই ছবি আজিও মোৰ
মনৰ মাজত
সিদিনা তোমাৰ চকুত
উজলি উঠিছিল বুকুৰ কোমল
সেউজীয়া
ক'ৰপৰা জানো এজাক
মলয়া বতাহ আহি সাক্ষী হৈ
ৰৈছিল আমাৰ সাক্ষাতৰ
দি গৈছিল অনামী সুবাস
পিচে -ওচৰ চাপি মনৰ কথা
পাতিম বুলি ভাবোতেই খোজ ল'লা
তুমি অহা বাটেৰে
নাই,- আৰু নিলিখো
কলৈ পঠিয়াম চিঠি
তোমাৰ ঠিকনা নাই মোৰ
পুৰণা ডায়েৰীত
তুমি কুশলে আছা কিজানি
ইতি-
.........
প্ৰিয়। ▶ ▶ ▶




# দেৱালীৰ বিৰহ (২০০৮)

অনামিকা ৰাভা
স্নাতক ৩য় বৰ্ষ (কলা)

আগেয়ে অহাৰ দৰে আহিছিল
উছৱৰ দিনটো
বহু আকাংক্ষাৰ দেৱালীৰ দিন
মাটিৰ চাকি মমবাতি বিজুলিৰ
জিক্ মিকীয়া আলোকেৰে আঁতৰাইছিল
অমানিশাৰ এন্ধাৰ
ললিতা কবিতা সবিতা সৰুবৰ সকলোৱে
ফুলজাৰি ফট্‌কাৰে কৰিছিল
আনন্দ অপাৰ
পিচ পৰি নেথাকিল কোনো
আশা-উলাহৰ নাই ভিন্ পৰ
উদ্দীপনাৰে পুৱাইছিল ৰাতি
ব্যক্তিক্ৰম কোকৰাঝাৰ বৰপেটা ৰোড
বঙাইগাঁও গুৱাহাটী
বুকুভেদি গৰজি উঠিল বিধ্বংসী
বোমা
নিমিষতে সৰ্বত্ৰ বিয়পি পৰিল
বিভীষিকা
চিটিকি পৰিল চিঙি যোৱা
হাত-ভৰি মূৰৰ মগজু
কোনে বাৰু কি বিচাৰিলে
অন্য এক নিৰ্মম দেৱালীৰে। ▶ ▶ ▶

# অনামিকা আহিবাচোন এদিন


ধ্ৰুৱজ্যোতি বড়ো
উঃ মাঃ ২য় বৰ্ষ



অনামিকা আহিবাচোন এদিন
শীতৰ সেমেকা পদূলি
গচকি
তোমাৰ স'তে অনুভূতিৰ
সিটো পাৰলৈ যাম
দুয়োৰে চিনাকি ঘাটত বহিম
নিজম আবেলি
অনামিকা তুমি আহিবাচোন
হেঙুলী মোহনাত বৈ
উটুৱাম আশ্বাস আৰু
আস্থাৰ সাতৰঙী তৰী
অনুভৱেৰে চুই চাম তোমাক
প্ৰাণ ঢালি গাম আমি
শীতৰ শীতল গান। ▶ ▶ ▶

# বৰষুণ

নমল ডেকা
উঃ মাঃ ২য় বৰ্ষ



বৰষুণ তুমি আহিলা
মেঘৰ ওৰণি টানি
বিজুলিৰ হাঁহিটি মাৰি
ব'হাগী আবাহন কৰিলা।।


তোমাৰ শীতল পৰশেৰে
লঠঙা গছৰ ডালে-ডালে
কোমল কুঁহিপাত মেলিলা
সেউজী ৰহণ সানি বসুধা বুকুত
মানুহৰ মন উতলা কৰিলা
বতৰৰ বৰষুণ তুমি আহিলা।।

বৰষুণ কিনো যাদু কৰিলা
গছে-গছে ডালে-ডালে
নানাৰঙী নানা ফুল ফুলালা
ভোমোৰাৰ গুণ-গুণ গানেৰে
বিধে বিধে পখিলাক তুমিয়েই মাতিলা
আৰু নতুন ৰূপেৰে ধৰণীক সজালা।। ▶ ▶ ▶

# অলপ শান্তি বিচাৰি

জয়দেৱ বায়ন
স্নাতক ১ম বৰ্ষ


কিয় এই ক্লান্তিকৰ অমানিশা
কি পালোঁ
কি হেৰুৱালোঁ
বেমেজালি চকুৰ আগত
সন্ত্রাসৰ ধামখুমীয়াত হেৰাল
শান্তিৰ বিমল অস্তিত্ব
নিষ্ঠুৰতাৰ বলি হ'ল পিতৃ-মাতৃ
ভাতৃ-ভগ্নী স্বামী-পত্নী
সৰল শিশুৱে আকালতে
হেৰুৱালে আপোনজন
হেৰুৱালে বহুতো জীৱনৰ মাধুর্য
কোনোৱে নেজানিলে
কিয় এনে হ'ল
কেতিয়ানো কাৰ কি লগালে
জগৰ। ▶ ▶ ▶



# জীৱন পাখি

ধনমণি বড়ো
উঃ মঃ ২য় বৰ্ষ

সময়ৰ স'তে কৰি মিতিৰালি
জীৱন পাখি মেলি যাওঁ
অজান পথত
নেজানো কেতিয়া কিমান পৰত
আকাশ চুবলৈ পাওঁ
ৰঙীন পৃথিৱীৰ উদাৰ বুকুত
আছে অনেক মানুহ
আছে ইটো-সিটো
সপোন সাঁচি
ভাল লাগে ভাবি
সকলো দেখোন মোৰ
তেনেই চিনাকি
নিচেই আপোন সহযাত্রী
তথাপি জুমি চালে ভয়লাগে কেতিয়াবা
ভাগে বুলি উৰি থকা
পিপাসিত পাখি
অকস্মাতে ধুমুহাই নুমুৱাই বুলি
জ্বলি থকা জীৱন চাকি। ▶ ▶ ▶




## প্ৰকৃতি

১৫

সোণমা মেধি
উঃ মাঃ ১ম বৰ্ষ

নিশাৰ অন্তত আহে নতুন পুৱা
সূৰুজৰ ৰূপালীয়ে তোলে
চমকনি
জিল-মিল গছ-লতা ফুল-পাত
মলয়াৰ তালে তালে নাচি উঠে
কৃষকৰ আদৰৰ ধাননি লখিমী
গোলাপ কলিয়ে লাজৰ ওৰণি ফালি
মিচিকিয়া হাঁহিৰে জনায় জগতক
সাদৰ সম্ভাষণ
নানা সুৰে গীত গাই চৰায়ে
কৰে মৌ-মিঠা ধেমালি
উৰি-উৰি বহুৰঙী পখিলাই
মনৰ কথা পাতে ফুলৰ সতে
বেলিয়ে মেলানি মাগি
বুৰ যায় দিগন্তত
এন্ধাৰ নমাই
সন্ধিয়াৰ আকাশত বহে
তৰাৰ মেলা
জ্বলি জ্বলি জোনাকীয়ে কৰে
অবিৰত সংগ্ৰাম
চলি থাকে প্ৰকৃতিৰ
ৰূপ মনোৰম। ▶ ▶ ▶



## জোনাকী পৰুৱা-

১৬

পল্লৱী দাস
উঃ মাঃ প্ৰথম বৰ্ষ

জোনাকী পৰুৱা তাই
সন্ধিয়াৰ আকাশত
টিমিক-টামাককৈ
কি জানো বিচাৰি
যেনি তেনি ঘুৰি ফুৰে
আলাসত
মিচিকিয়া হাঁহিৰে
তৰালৈ চাই তাই
গুপুতে জনায় মনৰ বতৰা
জোনটিৰ জোনাকত
লাজতে লুকায়
নাহে ৰাহি-যোৱা
এন্ধাৰ পৰম বান্ধৱ
ক'ৰ খোজে তিৰ-বিৰ কৰি
তাইৰো আছে এক
আপোন মহিমা। ▶ ▶ ▶

## পণ

১৭

দীপশিখা ৰয়
উঃ মাঃ ২য় বৰ্ষ

'যোগ্য ভোগ্য বসুন্ধৰা'
বিজ্ঞ লোকে কয়
অনিহা এলাহত হয়
জীৱন বিষময়
অবাবত নকৰি সময় অপচয়
আগবাঢ়ি যোৱাটোৱে
উত্তম উপায়
সেয়ে মেলি দিছোঁ জীৱন তৰী
লক্ষ্যস্থান বহুদূৰ দিগন্তত
সোঁতত আছে বহু বাধা
আছে ঘাত-প্ৰতিঘাত
অপায়-অমঙ্গল
কৰি ভীষ্মপন আওকান কৰিছোঁ
নিৰন্তৰ আহি থকা টৌ-ধুমুহাক
ৰোৱা নাই থমকি
চোৱা নাই উভতি। ▶ ▶ ▶

## অভাৰ ১৮ মূলঃ Wants: Philip Larkin)

এই সকলোবোৰৰ বাদেও, বাসনা হয় নিৰ্জনতাৰ।
যদিও আকাশ মেঘাচ্ছন্ন ক'লা হৈ পৰে নিমন্ত্ৰণী পত্ৰৰ বোজাত।
যদিও আমি মৈথুনৰ সচিত্ৰ নিৰ্দেশ মানি চলো।
যদিও পৰিয়ালৰ ছবি তুলি লও পতাকাৰ তলত।
এই সকলোবোৰৰ বাদেও ইচ্ছা হয় নিৰৱতাৰ।

সকলোৰে তলত হেৰাই যোৱাৰ প্ৰৱণতা বিৰাজমান।
কেলেন্দাৰৰ কৌশলী কুচ-কাৱাজ
জীৱন বীমা নিগম আৰু প্ৰসূতি বিভাগৰ উপচাৰ,
.মৃত্যুক ফাকি দিবলৈ খৰচো বহুত।
সৰৱে শেষত
ইচ্ছা কিন্তু নিৰ্জনতাৰ। **

## বিস্ফোৰণ ১৯ মূলঃ Eocplosion
Japanese Shinkichi Takahashi

মই নে এটা নিৰ্বোধ কুকুৰ
অথবা অদৰকাৰী মেকুৰী?
নৰ্দমাৰ ওপৰৰ কুঁৱলীৰ আচ্ছাদন
বা ফুল ছিঙা বৰষুণ ?
বন্ধ যদি কৰো চকু- উশাহ লও দীঘলকৈ
আণৱিক বতাহ, শত সহস্ৰ বছৰ।
কোচখাই চুটি হৈ আহো মই
প্ৰদূষণে হাড়ৰ মজ্জা চো বাই খাইছে
কি হ'ল তাতে ? মই চিঞৰি চিঞৰি ফুৰ্ত্তি কৰিম
যদিও তেজ শুকাই গৈছে
শূণ্যত পৰিণত হৈছে আণৱিক শৃংখলাত
পিছে মই জোৰে দৌৰিব পাৰো। **

** অনুবাদ ঃ পুলক তালুকদাৰ
প্ৰবক্তা, ইংৰাজী বিভাগ

## তেওঁৰ বিষেৰে ২০ মূলঃ Sappho Greek
$612_c$-$580_{Bc}$

তেওঁৰ বিষ
বাধাহীন
আৰু তিতা মিঠা
অংগ প্ৰত্যংগ শিথিল কৰা
আৰু যে এই ভাল পোৱা
আৰু তাৰ সৰ্পিল আচৰণ
মোক হত্যা কৰে সৰ্বদা। **

## ৰাস্তা ২১ মূলঃ The Strect,
Octavio Paz Maxcian)

দীঘল খালী ৰাষ্টা
খোজ দিও মই, উজুটি খাই পৰো।
আকৌ উঠো, অন্ধ খোজ পেলাওঁ
নিৰৱ শিলত ভৰি থও, মৰ মৰাই উঠে শুকান পাত।
মই যদি লাহে লাহে যাওঁ সিও ধীৰ হয়।
দৌৰো যদি সিও দৌৰে। কোননো সি? ঘুৰি দেখো কোনো নাই।
দৰ্জাহীন আৰু অন্ধকাৰ
কেঁকুৰিটোত এপাক ঘুৰি যাওঁ
আকৌ সেই ৰাষ্টা য'ত কোনেও মোক অপেক্ষা নকৰে
কোনেও পিচে পিচে নাহে।
য'ত মই এজন মানুহৰ পিচ লওঁ।
যি জনে উজুটি খাই পৰে, আকৌ উঠি বহে
ঘুৰি চাই পিচফালে
দেখে কোনো নাই। **

# ইতিহাস

মহানন্দ দাস
নৃতত্ব বিভাগ


ইতিহাস
সাজু হ
নতুন প্ৰজন্মই সুধিছে তোক
সৌৰা ২০০৯ দুৱাৰ মুখত
উত্তৰ দিবিনে তই ?

শঙ্কৰ কোন, আজান ফকিৰ কোন
জ্যোতি বিষ্ণু কোন,
আৰু পিয়লি মণিৰামৰ
ফাঁচীৰ সাধু।
ইতিহাস
কৈ যা কৈ যা
অসমৰ অসমীয়াৰ কথা।
য'ত আছিল মাথোন
অসমৰ অসমীয়া।
য'ত নাছিল জাতি জনজাতিৰ
সীমা আৰু সীমা।
ইতিহাস
তই গৈছনে?
কাৰ্বিৰ কাৰ্বি পাহাৰলৈ,
বড়োলেণ্ডলৈ, কোচ আহোম,
চুতীয়া নাইবা ৰাভা হাছঙলৈ
বা আদিবাসীৰ বাগিছালৈ
য'ত, তেজৰ নদীৰ
উত্তাল সোঁতত
কাগজৰ নাওঁৰ দ্ৰুত গতি।
ইতিহাস
তই পাহৰিবিনে
গুপ্তহত্যাৰ প্ৰতিবেদন
বেলতলাৰ চিঞৰ,
সঞ্চয় ঘোষ নাইবা পি, চি ৰামৰ
অপহৰণ।
ইতিহাস
তোক শুনাব বিচৰা নাই
গুপ্তহত্যাৰ কৰুণ বিননি
দেখুৱাব বিচৰা নাই
আদিবাসীৰ উলংগ ছবি
নাইবা ৩০ অক্টোৱৰ বোমা বিস্ফোৰণৰ
প্ৰতিবেদনৰ শুনানি।
ইতিহাস
তই দিব পাৰিবি
মৃত, অসমীয়া ডেকাৰ হিচাপ
যি সকলে স্বাধীন অসমৰ
সপোন দেখিছিল।
তই দিব পাৰিবি
সেনাৰ হাতত ধৰ্ষিতা
নাৰীৰ হিচাপ।
যি সকল আছিল
অসমৰ জীয়ৰী বোৱাৰী।
ইতিহাস
তই দিব পাৰিবি
৩০ অক্টোৱৰৰ সন্ত্ৰাসবাদীৰ ঠিকনা
যিয়ে তোক দি গৈছে
ধোৱা বাৰুদ, তেজ-মঙহ আৰু
মৃত দেহৰ নিঠৰ ছবি।। ***

# তোমাৰ মোৰ গোপন বন্ধুত্ব

দিপালী দাস
স্নাতক ২য় বৰ্ষ

মই দূৰত থাকিও
তোমাৰ কথা ভাবিব পাৰো
সপোনতো বিচাৰি ফুৰো
তোমাৰ ঠিকনা
জীয়াই ৰাখিছোঁ অমল প্ৰতিচ্ছবি
আলফুলে ৰোপণ কৰি
প্ৰতিপাল কৰিছোঁ এজুপি
ভাল পোৱাৰ গোলাপ
তাৰে স'তে ওমলিছো
পুৰা গধূলি
নাজানো তুমি কেনে আছা
মংগল কামনাৰে বাট চাই আছো
তুমি আহিবা বুলি। ▶ ▶ ▶



# ঈশ্বৰৰ স'তে কথা

মানস প্ৰতিম শৰ্মা
স্নাতক ৩য় বৰ্ষ

কি অভিপ্সাত দুলি আছে সময়
ভাঙি যোৱা পিয়ানোৰ
সুৰৰ পিয়লা উদং কৰি
কাক দিলা উপহাৰ সুখ আৰু
সৌম্যতাৰ
কেতিয়াবা এনেকুৱা লাগে
সময় সোঁতত উটি ফুৰা ঠিকনা বিহীন
মই যেন এটি পৰুৱা
বিচিত্ৰ মাতাল এই অন্তৰীক্ষ
তথাপি বাঁহীৰ এটি জোনাকী সুৰে
জীৱন্ত কৰি তোলে
এই কৃষ্ণ গহ্বৰ
তোমাৰ চতুৰ ষড়যন্ত্ৰ মষিমূৰ কৰি
অঁকা হ'ব পাৰে জীৱনৰ
অব্যয় অভিব্যক্তি। ▶ ▶ ▶

# প্ৰাচীৰ পত্ৰিকা বিভাগ

## প্ৰাচীৰ পত্ৰিকা

বসন্ত কুমাৰ দত্ত
প্ৰাক্তন ভাবপ্ৰাপ্ত অধ্যক্ষ

প্ৰাচীৰ শব্দৰ অৰ্থ দেৱাল বা পকাবেৰ আৰু পত্ৰিকাৰ অৰ্থ হ'ল বাতৰি কাকত। এই দিশৰ পৰা চাবলৈ গ'লে প্ৰাচীৰ পত্ৰিকাৰ আভিধানিক অৰ্থ ওলায় দেৱালত লিখা বাতৰি কাকত। বোধ হয়, যেতিয়া কাগজ আৰু ছপাকল ওলোৱা নাছিল তেতিয়া কোনো সংস্থা, সংগঠন, ব্যক্তিয়ে পথৰ দাতিত থকা দেৱাল অথবা ৰাজহুৱা ঘৰ-দুৱাৰৰ পকা বেৰত গুৰুত্বপূৰ্ণ সমস্যাৰ বিষয়ে ৰং-তুলিকাৰে লিখি জনসাধাৰণৰ দৃষ্টিগোচৰ কৰি সচেতন কৰাৰ প্ৰয়াস কৰিছিল। ইয়াৰ উপৰি কিছুমানে কোনো দাবী পূৰণৰ উদ্দেশ্য আগত ৰাখি 'শ্লোগান' আদি লিখাৰ বাবে দেৱালক মাধ্যম হিচাপে লৈছিল। প্ৰাচীন কালতো লিপিৰ উদ্ভৱৰ পিছত পাহাৰ-পৰ্বত, গুহাৰ গাত থকা শিল আদিত কিছুমান প্ৰয়োজনীয় কথা খোদিত কৰাৰ প্ৰমাণ ইতিহাসৰ পাতত পোৱা যায়। লিখন কৌশল আৱিষ্কাৰ হোৱাৰ পিছত মানুহে মনৰ ভাৱ লিপিবদ্ধ ৰূপত প্ৰকাশ কৰাৰ সুবিধা হ'ল। এই কৌশল আয়ত্ব কৰি মানুহে নিজৰ নিজৰ ভাৱৰাশি, জীৱনৰ অভিজ্ঞতা আদি লিখি প্ৰকাশ কৰাৰ উপায় ওলাল। বৰ্তমানেও নানা তৰহৰ প্ৰচাৰ মাধ্যম থকা সত্বেও দেৱাল লিখন ব্যাপক ৰূপত অব্যাহত আছে। অন্যান্য কথাৰ লগতে উদ্যোগ-কাৰখানা আদিত উৎপাদিত সামগ্ৰীৰ প্ৰচাৰৰ বাবে বিজ্ঞাপন দিয়াৰ আহিলা হিচাপেও দেৱালবোৰ সামৰি লোৱা দেখা যায়। প্ৰাচীৰ পত্ৰিকাৰ ধাৰণাটো সম্ভৱতঃ এই দেৱাল লিখনৰ পৰাই উদ্ভৱ হ'ব পাৰে। নতুবা সম্পূৰ্ণ নতুন চিন্তাৰ নতুন ফল।

সাম্প্ৰতিক সময়ৰ প্ৰাচীৰ পত্ৰিকাৰ অভিধাই দেৱাল বা পকাবেৰত লিখা লেখাক নুবুজায়। দেৱাল লিখনৰ পৰা প্ৰাচীৰ পত্ৰিকাৰ চৰিত্ৰ বা বৈশিষ্ট্য সম্পূৰ্ণ সুকীয়া। প্ৰাচীৰ পত্ৰিকা বুলিলে মনলৈ আহে বিভিন্ন পৰ্যায়ৰ শিক্ষানুষ্ঠান, শিক্ষানুষ্ঠানৰ ছাত্ৰাবাস, ছাত্ৰীনিবাস, সাহিত্য সংস্কৃতিৰ লগত জড়িত সংগঠন আদিয়ে ভিন-ভিন উপলক্ষ্যত সাহিত্য, কলা, বিজ্ঞান, আদি নানা বিষয়ক লেখাৰে প্ৰকাশ কৰি উলিওৱা পত্ৰিকাৰ কথা। দেৱাল বা পকাবেৰৰ সলনি আটক ধুনীয়াকৈ সাজি লোৱা নাতি-প্ৰশস্ত 'ফ্ৰেম'ত বিষয় বস্তুবোৰ আকৰ্ষণীয় ৰূপত সজোৱা হয়। প্ৰাচীৰ পত্ৰিকাৰ প্ৰচলন ক'ত কেতিয়া কোনে পোনতে আৰম্ভ কৰিলে সেই বিষয়ে সঠিককৈ ক'ব পৰা নাযায়। মুঠতে কোনোবাই ক'ৰবাত প্ৰকাশৰ এই নতুন কৌশলটো উন্মোচন কৰিলে।

সাম্প্ৰতিক সময়ত প্ৰচলিত প্ৰাচীৰ পত্ৰিকাৰ ৰূপটো অৰ্বাচীন। বাতৰি কাকত, আলোচনী, ছপা, গ্ৰন্থ আদিৰ প্ৰচলন হোৱাৰ বহু পিছত প্ৰাচীৰ পত্ৰিকাৰ উদ্ভৱ হয়। কাগজ আৰু ছপা কলৰ দৰেই চীন দেশত পোন প্ৰথমে বাতৰি কাকত ওলায়। ভাৰতত মোগল সম্ৰাট সকলৰ শাসন কালত হাঁতে লিখা বাতৰিকাকতৰ অতি সীমিত ৰূপত প্ৰচলন আছিল। ৰাণী প্ৰথম এলিজাবেথৰ দিনত ইংলেণ্ডত বাতৰি কাকত ওলায়। ইউৰোপত বাতৰি কাকতৰ প্ৰথম আত্মপ্ৰকাশ ঘটে ইটালীৰ ভেনিচ্ চহৰত। ভাৰতত প্ৰকাশিত প্ৰথম ছপা কাকত 'দি ইণ্ডিয়া

গেজেট' ওলায় ১৭৪৪ চনত। অসমৰ প্ৰথম বাতৰি কাকত 'অৰুণোদই' আমেৰিকান বেপ্টিষ্ট মিশনেৰী সকলে ১৮৪৬ চনত শিৱসাগৰৰ পৰা প্ৰকাশ কৰিবলৈ লয়। গতিকে ছপা বাতৰি, আলোচনী প্ৰচলনৰ আগলৈ প্ৰাচীৰ পত্ৰিকাৰ আৱিৰ্ভাৱৰ সময় কোনোমতে ঠেলিব নোৱাৰি।

আশীৰ দশকৰ শেষভাগ অৰ্থাৎ ১৯৭৯চন মানৰ পৰা অসমত প্ৰাচীৰ পত্ৰিকাৰ ব্যাপক প্ৰচলন হোৱা বুলি অনুমান কৰিব পাৰি। অসমৰ অস্তিত্ব ৰক্ষাৰ বাবে চলা আন্দোলনকালীন সময়ছোৱাত ব্ৰহ্মপুত্ৰ উপত্যকাৰ চুকে-কোণে কিছু সংখ্যক দল-সংগঠনে সৰু-বৰ আলোচনী প্ৰকাশ কৰিছিল। ছাত্ৰ-ছাত্ৰী সকলে আবেগ-অনুভূতি প্ৰকাশৰ বাবে প্ৰাচীৰ পত্ৰিকাৰ আশ্ৰয় লৈছিল। এই আলোচনী আৰু প্ৰাচীৰ পত্ৰিকাবোৰৰ মূল সুৰ আছিল দেশপ্ৰেম। দেশপ্ৰেম মূলক লেখনিৰ জৰিয়তে অসমীয়া জাতিৰ অস্তিত্বৰ ক্ষেত্ৰত দেখা দিয়া সংকট সম্বন্ধে জনসাধাৰণক সচেতন কৰাৰ প্ৰয়াস কৰা হৈছিল। ইয়াৰ উপৰি আন্দোলনৰ বিৰোধিতা কৰা বুলি ভৱা সকলকো পৰোক্ষভাৱে সকিয়নি দিবলৈ বিচৰা হৈছিল। আবেগৰ আতিশয্যই সৰহভাগ লেখাকে প্ৰচাৰ ধৰ্মী 'শ্ল'গান'ৰ পৰ্যায়লৈ লৈ গৈছিল। সাহিত্যৰ সৌৰভ সিবোৰত বৰ বিশেষ নাছিল বুলি সেইসময়ত প্ৰকাশিত সংবাদ পত্ৰৰ আলোচনাৰ মাধ্যমত জানিব পৰা গৈছিল। পিছলৈ অৱশ্যে জোৱাৰ সদৃশ এই অৱস্থাৰ ভালেখিনি সাম কাটিছিল। সেয়া যিয়েই নহওঁক, আলোচনী প্ৰকাশৰ সুস্থ পৰম্পৰা এটি সৃষ্টি নহ'ল যদিও প্ৰাচীৰ পত্ৰিকাৰ প্ৰকাশৰ ধাৰাবাহিকতা পূৰ্ণ গতিত চলি থাকিল।

ছপা আলোচনী আদিৰ প্ৰচলনৰ আগত শিক্ষানুষ্ঠান সমূহত ছাত্ৰ-ছাত্ৰী সকলৰ প্ৰতিভা বিকাশৰ মাধ্যম ৰূপে হাতে লিখা আলোচনী উলিওৱা হৈছিল। উদাহৰণ স্বৰূপে কটন কলেজৰ হাতে লিখা আলোচনী 'সেউতী' লৈ আঙুলিয়াব পাৰি। "বিংশ শতিকাৰ প্ৰথম দশকত কটন কলেজৰ ছাত্ৰসকলে 'সেউতী' নামৰ এখন হাতে লিখা আলোচনী প্ৰকাশ কৰিছিল। তেতিয়া কটন কলেজৰ মুখপত্ৰ 'কটনিয়ান'ৰ প্ৰকাশ যিহেতু আৰম্ভ হোৱা নাছিল, সেয়ে 'সেউতী'য়েই আছিল কটন কলেজৰ ছাত্ৰসকলৰ সাহিত্য চৰ্চাৰ প্ৰধান মাধ্যম। 'সেউতী'ৰ পাতত সাহিত্যচৰ্চা কৰি পৰৱৰ্ত্তী সময়ত অসমীয়া সাহিত্য জগতলৈ যুগমীয়া অৱদান আগবঢ়োৱা কেইগৰাকীমান ব্যক্তি হ'ল- সূৰ্য্য কুমাৰ ভূএগ, যোগেশ চন্দ্ৰ তামুলী, ইন্দ্ৰেশ্বৰ বৰঠাকুৰ, শৈলধৰ ৰাজখোৱা, সৰ্বেশ্বৰ বৰুৱা, আদি।" প্ৰাচীৰ পত্ৰিকাৰ বিষয়ে লেখাৰ ক্ষেত্ৰত সামান্যভাৱে হলেও প্ৰাসংগিক হ'ব বুলি ভাবি এইখিনি কথা উল্লেখ কৰা হ'ল। অৱশ্যে সকলো শিক্ষানুষ্ঠানতে হাতেলিখা আলোচনীৰ প্ৰচলন নাছিল।

প্ৰাচীৰ পত্ৰিকাসমূহ অনুষ্ঠান-প্ৰতিষ্ঠান কেন্দ্ৰীক, শিক্ষানুষ্ঠান, ছাত্ৰাবাস, ছাত্ৰী-নিবাস সমূহতে ইয়াৰ প্ৰচলন অধিক। আজিকালি সাহিত্য-সংস্কৃতিৰ লগত জড়িত অনুষ্ঠান-প্ৰতিষ্ঠান কিছুমানেও কোনো কোনো উপলক্ষ্যত প্ৰাচীৰ পত্ৰিকা উলিওৱা পৰিলক্ষিত হয়। বিভিন্ন পৰ্য্যায়ৰ প্ৰতিষ্ঠিত শিক্ষানুষ্ঠান সমূহত বাৰ্ষিক ভিত্তিত অনুষ্ঠানটোৰ মুখপত্ৰ হিচাপে একো একোখন আলোচনী প্ৰকাশ কৰা হয়। এইবোৰত ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী সকলে সাহিত্য, সংস্কৃতি, বিজ্ঞান আদি বিষয়ত থকা তেওঁলোকৰ সুপ্ত প্ৰতিভা বিকাশৰ সুবিধা লাভ কৰে। পিছে এই সুবিধা তেনেই সীমিত। বেছিভাগে প্ৰতিভা বিকাশৰ সুযোগ নাপায়। ইয়াৰ বহুবোৰ কাৰণৰ ভিতৰত মূল কাৰণটো হল- আলোচনীখনৰ কলেৱৰৰ সীমাবদ্ধতা। প্ৰতিভা বিকাশৰ বাবে প্ৰতিষ্ঠিত বাতৰি কাকত, আলোচনী আদি ছাত্ৰ-ছাত্ৰীৰ বাবে দূৰৰ বস্তু। এনেবোৰ অসুবিধা আঁতৰোৱাৰ ক্ষেত্ৰত প্ৰাচীৰ পত্ৰিকাই ভালেখিনি সহায় কৰিব পাৰে। জ্ঞানৰ উৎকৰ্ষ সাধনত প্ৰাচীৰ পত্ৰিকাৰ ভূমিকা বিশেষভাৱে উল্লেখযোগ্য। জ্ঞানৰ গভীৰ সাগৰত ৰত্নৰ সন্ধানত ব্ৰতীসকলৰ প্ৰাথমিক ক্ষেত্ৰ হ'ল এই প্ৰাচীৰ পত্ৰিকা। প্ৰাচীৰ পত্ৰিকাৰ জৰিয়তে ভৱিষ্যতৰ প্ৰতিভাৰ বীজ ৰোপণ হয়। নিত্য নতুন ভাষা কৌশল আয়ত্বৰ দ্বাৰা সৃষ্টিৰ চেতনা জাগ্ৰত হয়। ছাত্ৰ-ছাত্ৰীসকলে মনটো চহকী কৰিবলৈ, শিকিবলৈ আৰু সেই চিন্তা প্ৰকাশ কৰিবলৈ প্ৰাচীৰ পত্ৰিকাৰ যোগেদি কিছু পৰিমাণে সুবিধা লাভ কৰিবলৈ সক্ষম

হয়। নিজৰ লেখা হাতেলিখা ৰূপত প্ৰকাশ হ'লেও ছাত্ৰ-ছাত্ৰীসকলে নিজৰ ওপৰত আস্থা স্থাপন কৰিবলৈ প্ৰেৰণা পায়। নতুন সম্ভাৱনাপূৰ্ণ লেখক লেখিকাসকলে সঠিক সহায় আৰু উৎসাহ উদ্দীপনা লাভ কৰে। প্ৰতিভা বিকাশৰ এইবোৰ ইতিবাচক দিশ।

বাতৰি কাকত, আলোচনী আদিৰ তুলনাত প্ৰাচীৰ পত্ৰিকাবোৰৰ পৰিসৰ সীমিত। ইয়াত বিস্তৃত ৰূপত কোনো লেখা প্ৰকাশ কৰাৰ সুবিধা নাথাকে। কম পৰিসৰৰ ভিতৰতে লেখক সকলে নিজৰ বিষয় বস্তুক তুলি ধৰাৰ প্ৰয়োজন হয়। অৱশ্যে কম কথাতে মনৰ ভাৱ-অনুভূতিক প্ৰকাশ কৰিব পৰাটোও কলাত্মক দিশৰ লক্ষণ। বিন্দুত সিন্ধুৰ পৰিচয় পোৱাৰ দৰে প্ৰাচীৰ পত্ৰিকাৰ সুক্ষ্ম লেখাবোৰৰ মাজতেই প্ৰতিভাৰ উমান পোৱা যায়। অন্যথা ক'ব পাৰি 'গোস্পদে নভোমণ্ডলম'। বিষয়বস্তু হিচাপে চমু ৰূপত প্ৰবন্ধ, চুটি গল্প কবিতা, চিত্ৰকলা, বিজ্ঞানৰ ন-ন বিষয়ৰ খবৰ আদি সামৰি লোৱাৰ সুযোগ প্ৰাচীৰ পত্ৰিকাত পাব পাৰি। উন্নতমানৰ সম্পাদকীয়ও ইয়াৰ অন্যতম দিশ। আকৰ্ষণীয় উপস্থাপনেৰে সজাই-পৰাই তোলা একোখন প্ৰাচীৰ পত্ৰিকাই পাঠক-দৰ্শকৰ মন আপ্লুত কৰে। অকল ছাত্ৰ-ছাত্ৰীকে নহয়, অনুষ্ঠানটোলৈ বাহিৰৰ পৰা অহা যিকোনো অনুসন্ধিৎসু লোককো আটকধুনীয়া প্ৰাচীৰ পত্ৰিকাই আকৰ্ষণ কৰা দেখা যায়। এনে লোকে খৰচি মাৰি পঢ়িবলৈ সময় নাপালেও ওপৰে-ওপৰে চকু ফুৰায়ে তৃপ্তি লাভ কৰে। এইবোৰৰ উপৰি প্ৰাচীৰ পত্ৰিকাৰ মাধ্যমত শিক্ষানুষ্ঠানবোৰত এক বৌদ্ধিক পৰিমণ্ডল গঢ়ি তুলিব পাৰি। সাধাৰণতে আমাৰ শিক্ষানুষ্ঠানবোৰত পাঠ্যবহিৰ্ভূত বিষয়ৰ চৰ্চাৰ ওপৰত বিশেষ গুৰুত্ব দিয়া দেখা নাযায়। প্ৰাচীৰ পত্ৰিকাই এনে দিশত প্ৰভূত পৰিমাণে বৰঙণি যোগাব পাৰে।

শিক্ষানুষ্ঠান সমূহত বৰ বেছি দুবাৰ মানহে প্ৰাচীৰ পত্ৰিকা উলিওৱা হয়। এবাৰ নৱাগত সকলক আদৰণি জনোৱাৰ সময়ত আৰু আনবাৰ হ'ল শিক্ষানুষ্ঠানৰ বাৰ্ষিক উৎসৱ উপলক্ষে। অৱশ্যে কিছুমান শিক্ষানুষ্ঠানে, বিশেষকৈ ছাত্ৰাবাস বা ছাত্ৰীনিবাসবোৰে সৰস্বতী পূজা উপলক্ষেও প্ৰাচীৰ পত্ৰিকা উলিয়ায়। কিছুমান শিক্ষানুষ্ঠানত এনে নিয়মৰো অভাৱ দেখা যায়। দুই-এটা সংখ্যা উলিওৱাৰ পিছত নিস্ক্ৰিয় হৈ পৰে। বিভিন্ন অসুবিধাৰ বাবে প্ৰাচীৰ পত্ৰিকাৰ সংখ্যা বঢ়াব নোৱাৰিলেও দুটা বা তিনিটা সংখ্যা প্ৰকাশ কৰি উলিওৱাৰ ব্যৱস্থা কৰিব লাগে। তেনে কৰিলে সৰহ সংখ্যাক ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰীয়ে নিজৰ ভাল লগা বিষয় প্ৰকাশৰ সুবিধা লাভ কৰিব। ন-পুৰণি ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিভাক তুলি ধৰাত সহায়ক হ'ব। পৰম্পৰাগত পাঠদানৰ উপৰি ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিভাক উলিয়াই অনাটোও শিক্ষানুষ্ঠান বোৰৰ অৱশ্য কৰ্তব্য হোৱা উচিত। বৌদ্ধিক সজাগতাৰ ধাৰাবাহিকতাক ধৰি ৰখাত প্ৰাচীৰ পত্ৰিকাৰ গুৰুত্ব উলাই কৰিবলগীয়া নহয়।

কোনো কোনো প্ৰতিষ্ঠিত শিক্ষানুষ্ঠানত, বিশেষকৈ মহাবিদ্যালয়, বিশ্ববিদ্যালয়ৰ বিভিন্ন বিভাগে পাঠ্যক্ৰমৰ শিক্ষা দানৰ উপৰি প্ৰাচীৰ পত্ৰিকা প্ৰকাশ কৰা দেখা যায়। বিভাগৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰীয়ে তেওঁলোকৰ মৌলিক চিন্তাধাৰাক প্ৰাচীৰ পত্ৰিকাৰ জৰিয়তে প্ৰকাশ কৰি সমাজৰ প্ৰতি দায়িত্ববোধ স্বীকাৰ কৰাটো সন্তোষৰ কথা। কম সংখ্যক আগশাৰীৰ উচ্চ শিক্ষানুষ্ঠানতহে এনে প্ৰাচীৰ পত্ৰিকাৰ প্ৰচলন আছে। বিভাগীয় প্ৰাচীৰ পত্ৰিকা আৰু ছাত্ৰনিবাস, ছাত্ৰী নিবাস বোৰত প্ৰকাশ পোৱা প্ৰাচীৰ পত্ৰিকা বোৰৰ মাজত প্ৰতিযোগিতা অনুষ্ঠিত কৰাও দেখা যায়। এনে প্ৰচেষ্টা আদৰণীয়। এই ব্যৱস্থা থকাৰ ফলত উদ্যোক্তা সকলে নিজৰ প্ৰাচীৰ পত্ৰিকাসমূহ মানবিশিষ্ট আৰু আটক ধুনীয়াকৈ প্ৰকাশ কৰিবলৈ পৰিশ্ৰম কৰে।

আজি-কালি মহ্যাবিদ্যালয় সমূহত বিদ্যায়তনিক আৰু সামাজিক দিশৰ উৎকৰ্ষ সাধনৰ বাবে চিন্তা-চৰ্চা কৰিবলৈ কিছুমান 'চেল' বা 'ফৰাম' গঠন কৰা হৈছে। এই 'চেল' বা 'ফৰাম'ৰ জৰিয়তে নিৰ্দ্দিষ্ট বিষয়ৰ ওপৰত আলোচনা কৰিবলৈ 'চেমিনাৰ' আদিৰ আয়োজন কৰা হয়। এই 'চেল' বা 'ফৰাম' বিলাকেও প্ৰাচীৰ পত্ৰিকা প্ৰকাশৰ জৰিয়তে নিৰূপিত বিষয়

প্ৰচাৰৰ দিহা কৰিব পাৰে। এই ক্ষেত্ৰত শিক্ষক-শিক্ষয়িত্ৰীসকলে আগ-ভাগলৈ ছাত্ৰ-ছাত্ৰী সকলক উদ্বুদ্ধ কৰাৰ থল আছে। এইবোৰৰ উপৰি ভিন-ভিন বিষয়ৰ যেনে কবিতা, গল্প, প্ৰবন্ধ, ৰম্য ৰচনা, চিত্ৰকলা আদিৰ সুকীয়া সুকীয়া প্ৰাচীৰ পত্ৰিকাৰো ব্যৱস্থা কৰিব পৰা যায়। এনে ব্যৱস্থা প্ৰতিভা থকা ছাত্ৰ-ছাত্ৰীসকলৰ বাবে আত্ম প্ৰকাশৰ এটি উৎকৃষ্ট মাধ্যম হ'ব পাৰে। ইয়াৰ বাবে লাগিব আটাইৰে একান্ত ইচ্ছা আৰু যৌথ উদ্যোগ।

প্ৰাচীৰ পত্ৰিকাৰ স্থায়িত্ব বাতৰি কাকত, আলোচনী আদিৰ নিচিনা নহয়। বাতৰি কাকত, আলোচনী আদি এবাৰ পঢ়াৰ পিছত ভৱিষ্যতে কামত লগাবৰ বাবে সংৰক্ষণ কৰিব পাৰি। প্ৰয়োজন হলে কেবাবাৰো পঢ়িব পৰা যায়। একেখন বাতৰি-কাকত ভালেমান মানুহেও পঢ়িব পাৰে। আনহাতে প্ৰাচীৰ পত্ৰিকা স্থায়ীভাৱে সংৰক্ষণ কৰি ৰখাৰ সুবিধা বিশেষ নাথাকে। এনে অৱস্থাৰ বাবে প্ৰাচীৰ পত্ৰিকাত প্ৰকাশ পোৱা সম্ভাৱনাপূৰ্ণ প্ৰতিভাৰ প্ৰাথমিক পৰিচয় হেৰাই যায়। প্ৰাচীৰ পত্ৰিকা সমূহত উপস্থাপন কৰা বিষয়বোৰ যিহেতু স্থায়ীভাৱে সংৰক্ষণ কৰি ৰখাৰ সুবিধা ক'ম, সেয়ে এইবোৰৰ মানবিশিষ্ট লেখা আদি অনুষ্ঠানৰ পৰা প্ৰকাশিত বছৰেকীয়া আলোচনীত ছপাই সংৰক্ষণৰ ব্যৱস্থা কৰিব লাগে। আলোচনীখনত 'প্ৰাচীৰ পত্ৰিকাৰ পৰা' শীৰ্ষক বা তেনে জাতীয় শাখা এটি অন্তৰ্ভুক্ত কৰাৰ থল আছে। সুচিন্তিত সম্পাদকীয়ও আন বিষয়ৰ লগত সামৰি থ'ব লাগে। ইয়াৰ জৰিয়তে ভৱিষ্যতৰ ছাত্ৰ-ছাত্ৰীসকলে নিজৰ চিন্তা-ভাৱনাক অগ্ৰজসকলৰ চিন্তা-চৰ্চাৰ লগত জুখি চোৱাৰ সুযোগ পাব। তাৰোপৰি অনুষ্ঠানটোৰ প্ৰগতিৰ ইতিহাসৰ বিষয়ে আভাষ পাব। বহু সময়ত বছৰেকীয়া আলোচনীৰ কলেৱৰ বৃদ্ধিৰ আশংকা কৰি এনে ব্যৱস্থা কৰা নহয় নতুবা এই বিষয়ে চিন্তা কৰাই নহয়। যদি ইয়াকে কৰিব নোৱাৰি নাইবা শিক্ষানুষ্ঠানত বছৰেকীয়া আলোচনী প্ৰকাশৰ ব্যৱস্থা নাই, অন্য কোনো উপায়েৰে সংৰক্ষণ কৰাৰ কথা ভাৱিব লাগে। ইয়াৰ দ্বাৰা সম-সাময়িক সমাজ সভ্যতাৰ ছবি সাধাৰণভাৱে হলেও ৰক্ষিত হয়।

এতিয়া আহো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ প্ৰাচীৰ পত্ৰিকাৰ প্ৰসঙ্গলৈ। প্ৰমাণিক তথ্যৰ অভাৱত প্ৰাচীৰ প্ৰত্ৰিকা প্ৰচলনৰ আৰম্ভণিৰ চনটো উল্লেখ কৰিব পৰা নগ'ল। সংৰক্ষণৰ অভাৱ তথা আমাৰ অদূৰদৰ্শিতাই ইয়াৰ মূল কাৰণ। প্ৰাসংগিক হ'ব বুলি ভাবি এইখিনিতে ক'ব খুজিছো শ্ৰীধ্ৰুৱজ্যোতি চৌধুৰী নামৰ প্ৰাক্তন ছাত্ৰ এগৰাকীৰ কথা। তেওঁ ১৯৮৮ চনত অসমীয়া বিষয়ত সন্মান সহকাৰে স্নাতক হৈ ওলায়। ছাত্ৰ হৈ থকা অৱস্থাত অৰ্থাৎ ১৯৮৮ চনৰ আগৰ চাৰি বা পাঁচ বছৰৰ সময় ছোৱাত তদানীন্তন অধ্যক্ষক প্ৰাচীৰ পত্ৰিকা এখন প্ৰকাশৰ বাবে কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰিবলৈ মৌখিক ভাৱে আবেদন জনোৱাৰ কথা আমি জানো। তৎকালেই নহলেও, পিছলৈ প্ৰাচীৰ পত্ৰিকা এখন প্ৰকাশৰ ব্যৱস্থা কৰা হল। আনহাতে, ১৯৯০-৯১ শিক্ষাবৰ্ষৰ এয়োদশ সংখ্যক 'জৱাহৰজ্যোতি'ৰ সম্পাদক শ্ৰীকৈলাশ কলিতাৰ নিজস্ব প্ৰতিবেদন (সম্পাদকীয় নহয়)ৰ এষাৰ কথা উল্লেখ কৰিব খুজিছো। তেওঁ লিখিছে- "জৱাহৰজ্যোতি'ৰ লগতে মই একে নামেৰে থকা মহাবিদ্যালয়ৰ প্ৰাচীৰ পত্ৰিকাৰ কামো হাতত লৈছিলো। প্ৰতি তিনি মাহৰ মূৰে-মূৰে এই প্ৰাচীৰ পত্ৰিকা প্ৰকাশ কৰাৰ কথা যদিও মোৰ কাৰ্যকালত কেৱল এবাৰহে প্ৰকাশ কৰিবলৈ সমৰ্থ হওঁ।" এইৰোৰ কথাৰ পৰা সাধাৰণভাৱে অনুমান কৰিব পাৰি যে, উক্ত শিক্ষা বৰ্ষৰ বৰ বেছি আগৰ পৰা মহাবিদ্যালয়খনৰ প্ৰাচীৰ পত্ৰিকাৰ প্ৰচলন হোৱা নাছিল। ১৯৮৮ চনৰ পৰা ১৯৮৯ চনৰ ভিতৰত কোনোবা এটা চনৰ পৰা প্ৰাচীৰ পত্ৰিকা প্ৰকাশৰ ব্যৱস্থা কৰা হৈছিল বুলি ঠাৱৰ কৰিব পাৰি। প্ৰাচীৰ পত্ৰিকা এখন প্ৰকাশৰ দিহা কৰা হ'ল যদিও ইয়াৰ প্ৰকাশ ধাৰাবাহিক ৰূপত নহ'ল। এইখন ছেগা-চোৰোকাকৈহে ওলাই থাকিল। প্ৰতি তিনি মাহৰ মূৰে-মূৰে উলিওৱা দূৰৈৰ কথা, বছৰেকত দুবাৰো নোলায়। কোনো কোনো বছৰত ইয়াৰ মুখেই দেখা নগ'ল। এনে লাগে যেন মনত পৰিলেহে উলিওৱা হয়। এয়া আমি বহুবছৰলৈ প্ৰত্যক্ষ কৰা কথা। অন্যান্য কাৰণৰ লগতে সংশ্লিষ্ট সকলৰ উদ্যমহীনতাই ইয়াৰ মূল কাৰণ আছিল। পিছলৈ অৱশ্যে এই

অৱস্থাৰ ভালেখিনি উন্নতি হৈছে।

অতিসম্প্ৰতি মূল প্ৰাচীৰ পত্ৰিকা 'জৱাহৰজ্যোতি'ৰ উপৰি মহাবিদ্যালয়খনৰ কেইটামান বিভাগে বিভাগীয় ভাৱেও বিভিন্ন নামেৰে প্ৰাচীৰ পত্ৰিকা উলিওৱাৰ ব্যৱস্থা হাতত হৈছে। প্ৰাচীৰ পত্ৰিকাবোৰ হ'ল- ৰাজনীতি বিজ্ঞান বিভাগৰ 'Lycium' (৩য় সংখ্যা), শিক্ষা বিভাগৰ 'Echo' (৪ৰ্থ সংখ্যা), প্ৰাণী বিজ্ঞান বিভাগৰ 'বিহঙ্গম' (৭ম সংখ্যা), উদ্ভিদ বিজ্ঞান বিভাগৰ 'বোধিদ্ৰুম' (৩য় সংখ্যা), পদাৰ্থ বিজ্ঞান বিভাগৰ 'Physica'(২য় সংখ্যা), ৰাসায়ন বিজ্ঞান বিভাগৰ 'Alchemia'(১ম সংখ্যা) আৰু অমৃত প্ৰভা ৰেঞ্জাৰ টীমৰ 'Mirror' (৭ম সংখ্যা)। এইবাৰ প্ৰাচীৰ পত্ৰিকাবোৰৰ বাহিৰেও অমৃত প্ৰভা ৰেঞ্জাৰ টীমৰ দ্বাৰা 'Mirror' নামৰ হাতে লিখা আলোচনী এখনো প্ৰকাশ কৰা হয় (প্ৰথম প্ৰকাশ:১০/১২/০৮)। এয়াই নহয়, প্ৰাচীৰ পত্ৰিকাবোৰৰ মাজত ২০০৮-২০০৯ শিক্ষা বৰ্ষৰ পৰা আলোচনী বিভাগৰ দ্বাৰা প্ৰতিযোগিতাও অনুষ্ঠিত কৰিবলৈ লোৱা হৈছে। এনে উদ্যম আৰু গঠনমূলক প্ৰচেষ্টা সঁচাকৈয়ে প্ৰশংসনীয়। এই প্ৰচেষ্টাই সংশ্লিষ্ট সকলৰ ব্যক্তিগত চিন্তা-চৰ্চাৰ উৎকৰ্ষ সাধনত সহায় কৰাৰ লগতে মহাবিদ্যালয়খনৰ শৈক্ষিক বাতাবৰণ সৃষ্টি কৰাৰ ক্ষেত্ৰত যথেষ্ট পৰিমাণে অৰিহণা যোগাব বুলি নিসন্দেহে ক'ব পাৰি। যিবোৰ বিভাগৰ প্ৰাচীৰ প্ৰত্ৰিকা নাই, সেই বিভাগ বোৰেও এই দিশত ইতিবাচক পদক্ষেপ লোৱাৰ কথা চিন্তা কৰিব পাৰে। ইয়াৰ বাবে প্ৰয়োজন আগ্ৰহ আৰু অলপ পৰিশ্ৰম কৰাৰ মানসিকতা। প্ৰাচীৰ পত্ৰিকাৰ সংখ্যা সৰহ হ'লে এই বিষয়ৰ প্ৰতিযোগিতাও আকৰ্ষণীয় হ'ব। সম্প্ৰতি বিভাগীয় ভাবে প্ৰকাশ কৰা প্ৰাচীৰ পত্ৰিকা বোৰৰ নামবোৰ অতি তাৎপৰ্যপূৰ্ণ আৰু বৰ মৰম লগা।

কটন কলেজৰ হাতেলিখা আলোচনী 'সেউতী'ৰ পাতৰ পৰা সূৰ্যকুমাৰ ভূঞা, যোগেশ চন্দ্ৰ তামুলী, ইন্দ্ৰেশ্বৰ বৰঠাকুৰ, শৈলধৰ ৰাজখোৱা, সৰ্বেশ্বৰ বৰুৱা আদি বৰেণ্য প্ৰতিভা ওলোৱাৰ নিচিনাকৈ জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ বছৰেকীয়া আলোচনী 'জৱাহৰজ্যোতি', প্ৰাচীৰ পত্ৰিকা আৰু হাতেলিখা আলোচনীত লেখা-মেলা কৰা ব্যক্তিৰ মাজৰ পৰাই ভৱিষ্যতে বিভিন্ন দিশত বৰঙণি যোগাব পৰা প্ৰতিভা নোলাব বুলিনো আমি কেনেকৈ ক'ম। □□□

*"সৰু খুঁটাৰ মাজেদি যেনেকৈ পোহৰ দেখা যায়, তেনেকৈ সৰু সৰু কথাৰ মাজেদিও মানুহৰ চৰিত্ৰৰ মাহাত্ম্য প্ৰকাশ পায়।*

*- লৰ্ড এভেবেৰী।*

'জৱাহৰজ্যোতি'ৰ পৰা

# সফল জীৱন গঢ়াৰ উপায়

ৰাজেশ কুমাৰ মজুমদাৰ
স্নাতক ৩য় বৰ্ষ (কলা)

জীৱনত সফলতা লাভ কৰিবলৈ বহু পৰিশ্ৰম কৰিব লগা হয়। অৱশ্যে যধে-মধে পৰিশ্ৰম কৰিলেও সুফল লাভ নহ'ব পাৰে। জীৱনত সফল হ'বলৈ, এজন সৎ ব্যক্তি হ'বলৈ নিজকে পৰিচালনা কৰিব জানিব লাগিব। নিজে নিজক পৰিচালনা কৰিবলৈ অসমৰ্থ হ'লে নিৰ্দেশনা লোৱাৰ প্ৰয়োজন। বিখ্যাত কবি সাহিত্যিক চৈয়দ আব্দুল মালিকে কৈছিল 'সভ্য মানুহে বিবেকৰ কথা শুনে। তুমি কোনো কাম নিজৰ মতে নকৰিবা। তুমি একো নাজানা, শাস্ত্ৰ চোৱা, জ্ঞানী- পুৰুষ সকলে কি কৈছে শুনা আৰু তেওঁলোকে যেনেদৰে কৰিবলৈ কয় তেনেকৈয়ে কৰা।'

মহান বিজ্ঞানী-সাহিত্যিক, শিল্পী আদিৰ জীৱনী সমূহ অধ্যয়ন কৰিলেও আমি দেখিবলৈ পাওঁ যে কঠোৰ পৰিশ্ৰম কৰিহে তেওঁলোকে জীৱনত সফলতা লাভ কৰিবলৈ সক্ষম হৈছে। লুই পেষ্টীউৰ নামৰ মহান বিজ্ঞানী গৰাকীয়ে কৈছিল যে মানুহৰ গোটেই জীৱন সামৰি লোৱা তিনিটা কথা হ'ল - ইচ্ছাশক্তি, পৰিশ্ৰম আৰু কৃতকাৰ্যতা। ইচ্ছাশক্তিয়ে এটা উজ্বল আৰু সুখী ভৱিষ্যতৰ দুৱাৰ মুকলি কৰে। পৰিশ্ৰমে দুৱাৰদলি পাৰ হৈ আগবাঢ়ি যোৱাত সহায় কৰে আৰু যাত্ৰাৰ শেষত আহে কৃতকাৰ্যতা। এই কৃতকাৰ্যতা লাভ কৰিবলৈ আমি সপোন দেখিব লাগিব। তাৰ বাবে আমি কঠোৰ পৰিশ্ৰম কৰিব লাগিব।

জীৱনত সফল হ'বলৈ ভাল গুণৰ অধিকাৰী হোৱা দৰকাৰ। ভাল গুণবোৰ একেদিনাই আয়ত্ব কৰিব নোৱাৰি। গতিকে আনৰ ভাল গুণবোৰ অনুকৰণ কৰিবলৈ সৰুৰে পৰাই যত্ন কৰিব লাগে। ভাল গুণৰ অধিকাৰী জনকহে সকলোৱে সন্মান কৰে। স্বামী বিবেকানন্দই কৈছিল যে চৰিত্ৰ গঠনেই শিক্ষাৰ শেষ লক্ষ্য। চৰিত্ৰ এফালে আৰু আন সকলো এফালে। এতেকে আমি সৎ চৰিত্ৰবান হ'বলৈ যত্ন কৰা উচিত। ❑❑❑

# মোৰ আই বুঢ়ী হৈ যাবলৈ ধৰিছে

অনুপম কলিতা
স্নাতক ২য় বৰ্ষ (বিজ্ঞান)

মোৰ আই বুঢ়ী হৈ যাবলৈ ধৰিছে
পৃথিৱীৰ আটাইতকৈ কৰুণতম ছবিখন
আইতাৰ মুখত
হয়, মোৰ আই বুঢ়ী হৈ যাবলৈ ধৰিছে
শেতা পৰি যোৱা কপালখনৰ
বেলি যেন সেন্দুৰৰ ফোটটোৱেও
বাৰ্ধক্য ঢাকিব পৰা নাই
ব'হাগৰ বৰদৈ চিলাই
আইৰ কাণত ফুচফুচাই' যেন কৈ গ'ল
'তই বুঢ়ী হৈ গলি'
আইৰ কোতৰগত চকুযুৰিও
তেনেই ভাবুক হৈ পৰিছে
প্ৰতিটো চাৱনি পুৰণি ডায়েৰীৰ
এখিলা এখিলা পাত
গহীনতাৰ বুকুত হেৰাইছে মনোৰম হাঁহি
শোটোৰা পৰা মুখখন দেখিলে এনে লাগে
আয়ে কান্দিছে আৰু কৈছে
'বাৰ্ধক্য মই ঘিণ কৰোঁ'
জীৰ্ণকায় দেহত লাগি থকা চাদৰখনে
সোঁৱৰাই দিছে - সময় গতিশীল
সঁচাকৈ, মোৰ আই বুঢ়ী হৈ যাবলৈ ধৰিছে
মোৰ কেতিয়াবা ভয় লাগে
যদি মোৰ আই হালধীয়া পাতবোৰৰ
দৰেই সৰি যায় ! ❑❑❑

'জৱাহৰজ্যোতি' ঃ প্ৰাচীৰ পত্ৰিকা,
ছাত্ৰ একতা সভা